**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 27-09-2025 **Time :** 0755Hrs.

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কালিৰেপৰা পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি বনাঞ্চলত কালি পুৱাৰে পৰা জীপ ছাফাৰী আৰম্ভ হৈছে। প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় উদ্যান মুকলি কাৰ্যসূচীত সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিধায়ক মৃণাল শইকীয়াকে ধৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ কৰ্তৃপক্ষ উপস্থিত থাকে। বিধায়ক মৃণাল শইকীয়াই ২০২৫-২৬ পৰ্যটন বৰ্ষত ৰাষ্ট্ৰীয় উদ্যানখনলৈ যথেষ্ট সংখ্যক পৰ্যটকৰ আগমন হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে ৰাষ্ট্ৰীয় উদ্যান তথা ইয়াৰ কাষৰীয়া অঞ্চলৰ পৰিস্কাৰ পৰিচ্ছন্নতাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

(বাইট ঃ মৃণাল শইকীয়া)

কাজিৰঙাৰ কঁহৰা বনাঞ্চল অহা অক্টোবৰৰ দ্বিতীয় সপ্তাহত খোলাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰীয় উদ্যানখনত অহা ১ নৱেম্বৰত হাতী ছাফাৰী আৰম্ভ হ'ব বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০০০

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পাছৰ ১৩ দিনীয়া অনুষ্ঠান অসম চৰকাৰৰ উদ্যোগত যোৰহাটত অনুষ্ঠিত হ'ব। সেইদিনাই যোৰহাটলৈ শিল্পী গৰাকীৰ চিতাভস্ম লৈ যোৱা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰিছে। ড° শৰ্মাই কালি এই অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু যোৰহাট জিলা আয়ুক্তৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে এখন বৈঠকত মিলিত হয়। এই অনুষ্ঠানৰ আয়োজন সন্দৰ্ভত সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই জুবিন গাৰ্গৰ পৰিয়ালৰ মতামত ল'ব আৰু সেই অনুসৰি পৰৱৰ্তী ব্যৱস্থাসমূহ লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জনাইছে।

০০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্তসকলৰ সপক্ষে ঠিয় নিদিবলৈ সদৌ অসম উকীল সন্থাই ৰাজ্যৰ সকলো অধিবক্তাকে আহ্বান জনাইছে। এটা প্ৰেছ বিবৃতিৰ জৰিয়তে সদৌ অসম উকীল সন্থাৰ সভাপতি শৈলেন্দ্ৰ দাস, সাধাৰণ সম্পাদক দীপক কুমাৰ দাস, কাৰ্যকৰী সভাপতি মানস শৰণীয়া আৰু উপ-সভাপতি বিজন কুমাৰ মহাজনে এই আহ্বান জনাইছে। প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা অনুসৰি ৰাজ্যৰ বিভিন্ন স্থানত জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুত জড়িতৰ সন্দেহত বহু কেইজনৰ বিৰুদ্ধে এজাহাৰ দাখিল হৈছে। ৰাজ্য চৰকাৰে গোচৰৰ তদন্তৰ বাবে তৎপৰতাৰে বিশেষ তদন্তকাৰী গোট এছ্ আই টি গঠন কৰিছে। অভিযুক্ত ব্যক্তিসকলে অগ্ৰিম জামিন বা জামিন বিচাৰি অধিক্তাসকলৰ ওচৰলৈ আইনী সাহায্যৰ বাবে আহিব পাৰে। এই প্ৰেছ্ বিজ্ঞপ্তিৰ জৰিয়তে অধিবক্তা সমাজে নৈতিক আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি  শিল্পীগৰাকীৰ অস্বাভাৱিক মৃত্যুৰ সৈতে জড়িতসকলৰ হৈ ওকালতি নকৰি সু-চিন্তিতভাৱে সমাজৰ পক্ষত ঠিয় দিবলৈ অধিবক্তাসকলক আহ্বান জনোৱা হৈছে।

০০০০০০০

বিটিচি নিৰ্বাচনত বি পি এফ দলে নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰ দিশে অগ্ৰসৰ হৈছে। শেহতীয়া ভোটগণনাৰ তথ্য অনুসৰি এতিয়ালৈকে ২৮ টা সমষ্টিত বি পি এফৰ প্ৰাৰ্থীয়ে অগ্ৰগতি লাভ কৰিছে। ইউ পি পি এলে ৪ খন, বিজেপিয়ে দুখন আসনত অগ্ৰগতি লাভ কৰিছে। ছখন আসনৰ ফলাফল এতিয়াও ঘোষণা কৰিবলৈ বাকী আছে।

০০০০০০০

উত্তৰ লখিমপুৰ সাহিত্য সভা ভৱনত কালি লখিমপুৰ জিলাৰ সমূহ দল-সংগঠন ঐক্যবদ্ধ হৈ এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। এই সভাত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ জিলাখনৰ সকলোৰে মিলি ৰাজহুৱাভাৱে আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ইফালে, সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই কালি সন্ধিয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ তদন্তৰ বাবে ন্যায় বিচাৰি মম জ্বলাই সমদল কাৰ্যসূচী ৰূপায়ণ কৰে। ডিব্ৰুগড় চৌকিডিঙীৰ পৰা এই মম শিখা লৈ উলিওৱা সমদলত ছাত্ৰ সন্থাৰ সদস্যসকলৰ লগতে ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০০০০

অহা ১৪ অক্টোবৰত লখিমপুৰ জিলাৰ চাৰি লাখ লোকে একেলগে জাতীয় সংগীত পৰিৱেশন কৰিব। এই উদ্দেশ্যে জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতিৰ অধ্যক্ষতাত কালি এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০০

মৰাণ জনগোষ্ঠীক স্বায়ত্ত শাসন প্ৰদান আৰু জনজাতিকৰণ প্ৰদানৰ দাবীত মৰাণ জাতীয় সংগঠনৰ উদ্যোগত গ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰখা হৈছে। কালি মাকুমত জনগোষ্ঠীটোৰ সংগঠনসমূহৰ এখন যৌথ সভাত প্ৰতিবাদী কাৰ্যসূচী সাময়িকভাৱে স্থগিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কালি জনগোষ্ঠীটোৰ কেইগৰাকীমান প্ৰতিনিধিয়ে বিধায়ক বলিন চেতিয়া আৰু মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ অৰুণজ্যোতি মৰাণৰ সৈতে হোৱা আলোচনাৰ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০

**সমাপ্ত**